DAILY ASSAM

## ৬। আগত বা আগন্তুক তদ্ধিত প্ৰত্যয়

৬ ঃ ১ আধুনিক অসমীয়া ভাষাত বঙালী, হিন্দী আদি ভাষাৰ মাজেদি অহা বিভিন্ন দেশী-বিদেশী তদ্ধিত প্ৰত্যয় সোমাই পৰিছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল।

**১। ওৱান ঃ** ৰক্ষক বা চালক অৰ্থত ওৱান ব্যৱহাৰ হয়। যেনে,

গাড়ী চলায় যিয়ে সি— গাৰোৱান।

(দ্বাৰ) দুৱাৰ ৰখে যি— দাৰোৱান।

**২। ৱালা ঃ** ব্যৱসায় বা জীৱিকা অৰ্থত ৱালা ব্যৱহাৰ হয়।

যেনে, গাড়ীৰে জীৱিকা চলায় যি সি বা যাৰ গাড়ী আছে সেয়ে গাড়ী-ৱালা = গাড়ীৱালা। ৰিক্সা চলাই জীৱিকা আৰ্জে যি সি ৰিক্সাৱালা। পাণ-তামোলৰ ব্যৱসায় কৰে যি পাণৱালা। তেনেকৈ— পানীৱালা, তৰকাৰীৱালা, কাগজৱালা।

**৩। খানা ঃ** ঠাই বা দোকান আদি বুজাবলৈ খানা হয়। যথা, ডাক্তৰখানা, বৈঠকখানা, ছপাখানা, কাৰখানা।

**৪। গিৰি ঃ** গুণবাচক বিশেষ্য কৰিবলৈ স্বভাৱ, ব্যৱসায় বা জীৱিকা প্ৰকাশক অৰ্থত গিৰি ব্যৱহাৰ হয়। যথা,

পণ্ডিতৰ ব্যৱসায়— পণ্ডিতগিৰি, পাণ্ডাৰ কাম— পাণ্ডাগিৰি, কেৰাণীৰ জীৱিকা-- কেৰাণীগিৰি, বাবুৰ কাম— বাবুগিৰি।

**৫। দানি ঃ** থোৱা ঠাই বা আধাৰ বুজাবলৈ দানি ব্যৱহাৰ হয়।

ফুল থোৱা সঁজুলি— ফুলদানি, পিক পেলোৱা ঠাই— পিকদানি, ধূপ থোৱা ঠাই— ধূপদানি।

**৬। দাৰ ঃ** চলাওঁতা বা জীৱিকা অৰ্থত দাৰ ব্যৱহাৰ হয়।

দোকান চলায় যিয়ে সি— দোকানদাৰ, মৌজা চলায় যিয়ে সি— মৌজাদাৰ, ঠিকা কৰি জীৱিকা আৰ্জে যি সি— ঠিকাদাৰ, পহৰা দি জীৱিকা আৰ্জে যি সি— পহৰাদাৰ।